# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ৩১/০৭/২০১৯**

## কাৰ্য্যবিৱৰণী

আজি ইং ৩১/০৭/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে, কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে কাৰ্যালয়ত উদ্‌যাপন কৰিব লগিয়া স্বধীনতা দিৱসৰ সন্দৰ্ভত আলোচনা কৰা হয়। স্বাধীনতা দিৱসক ছুটীৰ দিন হিচাপে যাতে গণ্য কৰা নহয়, কাৰণ স্বাধীনতা দিৱস উদ্‌যাপন কৰাতে ভাৰত গণৰাজ্যৰ গৌৰৱৰ প্ৰতীক আৰু উক্ত দিনা চৰকাৰী কৰ্মচাৰী কাৰ্যালয়ত থকাতো বাঞ্ছনীয়। গতিকে উক্তদিনা সমূহ কৰ্মচাৰীক দুগুন উৎসাহেৰে উদ্‌যাপন কৰিবলৈ কৰ্মচাৰীসকলক আহ্বান জনায়। ইয়াৰ ওপৰিও স্বাধীনতা দিৱসৰ লগতে সংগতি ৰাখি দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী তথা দৰিদ্ৰ ব্যক্তিসকলৰ মাজত সাহাজ্য সামগ্ৰী বিতৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত জিলা ন্যায়িক সেৱা প্ৰাধিকৰণৰ তৰফৰ পৰা পদক্ষেপ লবলৈ জিলা ন্যায়িক সেৱা প্ৰাধিকৰণৰ সচিব মহোদয়ক অনুৰোধ জনোৱা হয়। লগতে কাৰ্যালয়ৰ কৰ্মচাৰীসকলক সাধ্যা অনুসৰি নানান পুৰণি, অব্যৱহৃত কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰ উপযোগী ঘৰুৱা সামগ্ৰী ও কিতাপ-পত্ৰ প্ৰদান কৰিবলৈ অনুৰোধ জনায়। স্বাধীনতা দিৱস উপলক্ষে কাৰ্যালয়ৰ লগতে ন্যায়িক বিষয়াসকলৰ আৱাসসমুহ পৰিষ্কাৰ পৰিচন্ন কৰাৰ লগতে আটকধুনীয়াকৈ সজাই পৰাই তুলিবলৈ নিৰ্দেশ প্ৰদান কৰে।

বিগত দিনসমূহত বৈদ্যুতিক সৰবৰাহৰ বিজুতি ঘটি অনিষ্ট হোৱা কাৰ্যালয়ৰ বৈদ্যুতিক সা-সৰঞ্জামসমূহৰ মেৰামতিৰ উদ্দেশ্যে সামগ্ৰীসমূহৰ ক্ষতিৰ খতিয়ান প্ৰস্তুত কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক আনুষ্ঠানিক ভাৱে অৱগত কৰিবলৈ জনায়।

জিলা ন্যায়িক সেৱা প্ৰাধিকৰণৰ সচিবৰ বক্তব্যত বেঞ্চ সহায়ক সকলক ন্যায়িক সাহাৰ্যপুষ্ট অধিবক্তা নিযুক্তিৰ একোখনকৈ পঞ্জীবহী পৰিচালনা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ ওপৰিও Remand অধিবক্তা সকলৰ তালিকা আদালতসমূহক অৱগত কৰাব বুলি প্ৰকাশ কৰে। লগতে আগন্তুক লোক আদালতৰ বাবে চমনসমূহ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ কৰে।

PSI তৰফৰ পৰা ভূক্তভোগীসকলৰ মন্তব্য লিপিবদ্ধ কৰিবলৈ আদালতলৈ অনাৰ ক্ষেত্ৰত হোৱা বেমেজালিৰ বিষয়ে অৱগত কৰে। ভূক্তভোগীৰ মন্তব্য লিপিবদ্ধ কৰিবলৈ আনোতে লগত ভূক্তভোগীৰ 161 CrPC ৰ মন্তব্য সংলগ্ন নকৰাৰ বিষয়ে জনায়। এইক্ষেত্ৰত আৱশ্যকীয় নথি সংলগ্ন নকৰাকৈ প্ৰৰণ কৰা ভূক্তভোগী তথা আচামীৰ নথিসমূহ গ্ৰহণ নকৰিবলৈ মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে নিৰ্দেশ কৰে।

চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ uniform পৰিধান, নতুন পৰিচয় পত্ৰ নিৰ্মাণ তথা Attendance Register ত কাৰ্যালয়ৰ পৰা যোৱাৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ স্বাক্ষৰৰ পূৰ্বে কৰ্মচাৰীসকলক স্বাক্ষৰ কৰাৰ ক্ষেত্ৰত যাৱতীয় নিৰ্দেশ প্ৰদান কৰে। ইয়াৰ ওপৰিও বেঞ্চ সহায়কসকলক নথি পত্ৰসমূহ গ্ৰহণ কৰোতে ভালকৈ নিৰীক্ষণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

ইয়াৰ পিছতে নানান শিতানত আলোচনা হয় আৰু জলযোগেৰে বৈঠকখনি সামৰণি পৰে।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰাহুল মেধি)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)